জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৯/২০২০

## বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# ৰাজ্য চৰকাৰে প্ৰতিটো জাতি-জনগোষ্ঠীৰ আশা-আকাংক্ষা প্ৰতিফলিত হোৱাকৈ বাজেট প্ৰস্তুত কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** আগন্তুক বাজেটত যাতে প্ৰতিটো জাতি-জনগোষ্ঠীৰ আশা-আকাংক্ষা প্ৰতিফলিত হয় সেই উদ্দেশ্যৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি সকলৰ মতামত লোৱাৰ উদ্দেশ্যৰে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগঠন সমূহে আৰ্থ-সামাজিক উত্তৰণৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

বৈঠকত পৌৰোহিত্য কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে খিলঞ্জীয়া জনসাধাৰণৰ ভাষা সাহিত্য, ৰীতি-নীতি, ঐতিহ্য, পৰম্পৰা, মাটি-ভেটি সুৰক্ষিত কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা কাম কৰি আহিছে। সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক প্ৰমূল্যবোধ নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱা, খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে মাটিৰ পট্টা প্ৰদানৰ লেখীয়া বহু সংখ্যক পদক্ষেপ ৰাজ্য চৰকাৰে গ্ৰহণ কৰি ইতিমধ্যে ৰূপায়ণ কৰিছে। চলিত বছৰৰ মাৰ্চ মাহৰ ভিতৰত ১ লাখ খিলঞ্জীয়াক ভূমি পট্টা প্ৰদানৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আগন্তুক বিত্তীয় বৰ্ষত আৰু ১ লাখ খিলঞ্জীয়া লোকলৈ মাটিৰ পট্টা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসনভাৰ লোৱাৰ পিছৰে পৰা বাজেটত জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। জনসাধাৰণৰ লগত আলাপ-আলোচনা কৰি পদক্ষেপ সমূহ গ্ৰহণ কৰি অহা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। জনসাধাৰণৰ সহযোগিতাই চৰকাৰখনৰ চালিকা শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে জনসাধাৰণক অন্ধকাৰত ৰাখি কোনো ধৰণৰ কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰতিটো জনগোষ্ঠীৰ প্ৰবাদ পুৰুষ আৰু মহান মনীষী সকলৰ স্মৃতি যুগমীয়া কৰা তথা নৱ প্ৰজন্মক এই সকল মনীষীৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যৰে ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠান অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰাৰ পদক্ষেপ লোৱা হৈছে। জনগোষ্ঠী সমূহে আগবঢ়োৱা পৰামৰ্শ আৰু মতামত সমূহ ৰাজ্য চৰকাৰে বাজেটত সন্নিৱিষ্ট কৰাৰ বাবে প্ৰয়াস কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

সভাত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, শিক্ষা, গড়কাপ্টানি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ছয় জনগোষ্ঠীৰ লগত আলাপ-আলোচনা কৰি যিবোৰ বিষয়ত সহমতত উপনীত হোৱা গৈছিল সেই বিষয় সমূহ বাজেটত প্ৰতিফলন কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস কৰিব। প্ৰতিটো জনগোষ্ঠীৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস চলাই আহিছে আৰু এইবাৰৰ বাজেটতো সেই দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে কয়।

উল্লেখ্য যে আজিৰ এই বৈঠকত মটক, মৰাণ, চাহ জনগোষ্ঠী, কোচ ৰাজবংশী, চুতীয়া, তাই আহোম, আদিবাসী, চাওতাল জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি সকল উপস্থিত থাকে।

আজিৰ এই বৈঠকত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণী ভূষণ চৌধুৰী, চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বাতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, কেইবাগৰাকী বিধায়ক, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৰ লগতে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

আনহাতে, কলিতা জনগোষ্ঠী সন্মিলনী, কেওঁট জাতীয় পৰিষদ আৰু সদৌ অসম সুত পৰিষদৰ প্ৰতিনিধি দলৰ সৈতেও মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি আন এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে আগন্তুক বাজেটত অন্তৰ্ভুক্তকৰণৰ বাবে এই জনগোষ্ঠীকেইটাৰ যদি কিবা বিষয় আছে, সেইসমূহ দাখিল কৰাৰ বাবেও তেওঁলোকক আহ্বান জনায়।

**পুঃডেঃ**
**২৬/০২/২০২০**